# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI

0000000000

**Date : 28-05-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

**:::::::::::::::::::::::::::::::**

ৰাজ্যৰ দুৰ্গম আৰু বিপদসংকুল অঞ্চলত বসবাস কৰা খিলঞ্জীয়া লোকসকলৰ নিৰাপত্তাৰ বাবে অস্ত্ৰৰ অনুজ্ঞাপত্ৰ দিবলৈ আজি অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ বৈঠকত সিদ্ধান্ত লোৱা হয়। মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত দিছপুৰত অনুষ্ঠিত সংবাদমেলত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে নগাঁও, ধুবুৰী, দক্ষিণ শালমাৰা মানকাচৰ, দৰং আদি জিলাৰ দুৰ্গম আৰু বিপদসংকুল অঞ্চলৰ থলুৱা লোকসকলক অস্ত্ৰৰ অনুজ্ঞাপত্ৰ দিয়া হ'ব। অস্ত্ৰৰ অনুজ্ঞাপত্ৰ দিয়াৰ বাবে অসম আন্দোলনৰ পৰাই দাবী উত্থাপন হৈ আহিছিল বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই মন্তব্য কৰে।

মন্ত্ৰীসভাৰ বৈঠকত সৰুসজাই ক্ৰীড়া প্ৰকল্প, এছ আই আৰ ডি আৰু মঙলদৈ ষ্টেডিয়ামৰ নাম সলনিতো অনুমোদন জনোৱা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। মন্ত্ৰীসভাৰ বৈঠকত সিদ্ধান্ত লোৱা অনুসৰি সৰুসজাই ক্ৰীড়া প্ৰকল্প অৰ্জুন ভোগেশ্বৰ বৰুৱাৰ নামেৰে নামকৰণ কৰা হ'ব। সেইদৰে এছ আই আৰ ডি-ৰ নাম গোলাপ বৰবৰা আৰু মঙলদৈ ষ্টেডিয়ামৰ নাম শেষৰজন দৰঙী ৰজা ধৰ্ম নাৰায়ণৰ নামেৰে জনা যাব।

ooooo

উচ্চতম ন্যায়ালয়ে আজি ভুৱা বুলি অভিযোগ উঠা অসমৰ সংঘৰ্ষৰ গোচৰসমূহ স্বতন্ত্ৰভাৱে তদন্ত কৰিবলৈ অসম মানৱাধিকাৰ আয়োগক নিৰ্দেশ দিছে। আৰিফ য়াচিন জোৱাদ্দাৰ নামৰ এজন অধিবক্তাই ২০২৩ চনত দাখিল কৰা এখন আবেদনৰ শুনানি গ্ৰহণ কৰি ন্যায়াধীশ সূৰ্যকান্ত আৰু এন ক'টেশ্বৰ সিঙৰ বিচাৰপীঠে ২০২১ৰ মে' আৰু ২০২২ চনৰ আগষ্টৰ ভিতৰত সংঘটিত এনে ১৭১টা গোচৰৰ খৰটকীয়াভাৱে তদন্ত কৰিবলৈ নিৰ্দেশ দিয়ে। উচ্চতম ন্যায়ালয়ে যোৱা ২৫ ফেব্ৰুৱাৰীত স্বতন্ত্ৰ তদন্তৰ অনুৰোধ জনাই দাখিল কৰা আবেদনখন সন্দৰ্ভত ৰায় সংৰক্ষিত ৰাখিছিল।

ooooo

ভাৰতীয় ইতিহাস সংকলন সমিতিৰ দৰং জিলা শাখাৰ উদ্যোগত  শান্তিপুৰ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ত আজি বিয়লি স্বতন্ত্ৰ সেনানী, লেখক, ৰাজনীতিবিদ বিনায়ক দামোদৰ সাৱৰকাৰৰ ১৪২ সংখ্যক জন্মদিনটো উদ্‌যাপন কৰা হয়। এই অনুষ্ঠানত মঙলদৈ শিশু নিকেতনৰ প্ৰধান আচাৰ্য্য দীপক কুমাৰ গোস্বামীয়ে মুখ্য বক্তা  হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানত চিপাঝাৰ মহাবিদ্যালয়ৰ অধ্যাপক খনীন্দ্ৰ কুমাৰ নাথ, ডং মোহিনী গোস্বামীকে ধৰি কেইবাগৰাকীও  শিক্ষাবিদ আৰু নেতৃস্থানীয় ব্যক্তি উপস্থিত থাকে।

ooooo

কামৰূপ জিলাৰ বাইহাটা চাৰিআলিত বিগত কিছুদিনৰ পৰা দুটা গড়ৰ মুক্ত বিচৰণে অঞ্চলবাসীক ত্ৰাসিত কৰি তুলিছে। ঐতিহ্যমণ্ডিত মদন কামদেৱ দেৱালয় আৰু গোপেশ্বৰ দেৱালয়ৰ সমীপৱৰ্তী সংৰক্ষিত বনাঞ্চলত গড় দুটা বিচৰণ কৰা স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰিছে। ক'ৰ পৰা কেনেদৰে এই বনাঞ্চলত গড় দুটা প্ৰৱেশ কৰিলে সেই কথা এতিয়াও স্পষ্ট হোৱা নাই। বন বিভাগে গড় দুটাক খেদি পঠিয়াবলৈ চেষ্টা কৰি আছে যদিও এই পৰ্যন্ত সফল হোৱা নাই।

ইফালে, কোকৰাঝাৰ আৰু ধুবুৰী সীমান্তৰ  চক্ৰশীলা অভয়াৰণ্যৰ পৰা ওলাই অহা সোণালী বান্দৰৰ এটা জাকে শালকোচা গাঁৱত প্ৰৱেশ কৰি আশ্ৰয় গ্ৰহণ কৰিছে। চক্ৰশীলা অভয়াৰণ্যৰ পৰা প্ৰায় ১০ কিলোমিটাৰ দূৰৈৰ গাঁৱখনত বান্দৰৰ জাকটো প্ৰৱেশ কৰাক লৈ গাওঁখনৰ ৰাইজে কৌতুহল প্ৰকাশ কৰাৰ লগতে আনন্দিতও হৈছে। গাওঁৰ ৰাইজে বান্দৰৰ দলটোক আশ্ৰয় দিয়াৰ লগতে সুৰক্ষিত কৰাৰ স্বাৰ্থত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে।

ooooo

তামুলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তৱৰ্তী মহেন্দ্ৰ নগৰ গাওঁত আজি তামুলপুৰ জিলা প্ৰশাসনৰ উদ্যোগত আৰু মহেন্দ্ৰ নগৰ বজাৰ উন্নয়ন সমিতিৰ সহযোগত অঞ্চলটোত ক্ৰমাগতভাৱে বৃদ্ধি পোৱা অসামাজিক কাৰ্যকলাপৰ বিৰুদ্ধে এখন সজাগতা সভা অনুষ্ঠিত কৰা হয়। অঞ্চলটোত দীৰ্ঘদিনৰ পৰা টীৰ, জুৱা, মাদক দ্ৰব্য সেৱন আদি ঘটনা বৃদ্ধি পোৱাৰ লগতে বাল্য বিবাহ আৰু আত্মহত্যাৰ ঘটনাও বৃদ্ধি পাই আহিছে। এই সভাত তামুলপুৰ জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তী, জিলা অতিৰিক্ত আয়ুক্ত মণ্টুৰাম বৰাকে ধৰি জিলা প্ৰশাসনৰ আন আন বিষয়াৰ লগতে স্থানীয় লোক উপস্থিত থাকে।

ooooo

যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানত ৩ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত ভাৰতীয় বন সেৱা বিষয়াৰ পৰিবেশ তন্ত্ৰ স্বাস্থ্য কাৰ্ড প্ৰস্তুতকৰণ শীৰ্ষক ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালাখন আজি সফলভাৱে সমাপ্ত হয়। ভাৰত চৰকাৰৰ পৰিবেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ উদ্যোগত অনুষ্ঠিত কৰ্মশালাত দেশৰ ৭ খন ৰাজ্যৰ ১০ গৰাকীকৈ উচ্চ পদস্থ বন বিষয়াই অংশগ্ৰহণ কৰে।

ooooo

তিনিচুকীয়া জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আজি জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ এখন বিশেষ বৈঠক অনুষ্ঠিত  হয়। বৈঠকত ডুমডুমা ৰাজহ চক্ৰৰ অধীনস্থ কৰদৈগুৰি অঞ্চলৰ খহনীয়া পৰিস্থিতি পৰ্যালোচনা কৰা হয়। বৈঠকত জিলা আয়ুক্ত স্বপ্নীল পালে তিনিচুকীয়া জলসম্পদ বিভাগৰ কাৰ্যবাহী অভিযন্তাক অঞ্চলটোৰ খহনীয়া ৰোধৰ বাবে তাৎক্ষণিক পদক্ষেপ গ্ৰহণ কৰাৰ নিৰ্দেশ দিয়ে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কাইলৈ প্ৰথমখন কোৱালিফায়াৰ খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু, পঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। এই খেলখনত জয়লাভ কৰা দলটোৱে পোনে পোনে ফাইনেলত প্ৰৱেশ কৰিব। পৰাজিত দলটোৱে ফাইনেলত স্থান নিশ্চিত কৰাৰ আৰু এটা সুযোগ লাভ কৰিব।

প্ৰতিযোগিতাৰ পইণ্ট তালিকাত তৃতীয় স্থানত থকা গুজৰাট টাইটানছ্ অহা শুকুৰবাৰে মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে এলিমিনেটৰ খেলাত অৱতীৰ্ণ হ'ব। এই খেলখনত জয়লাভ কৰা দলটো দ্বিতীয়খন কোৱালিফায়াৰত প্ৰথমখন কোৱালিফায়াৰত পৰাজিত দলটোৰ সন্মুখীন হ'ব।

০০০০০

সমাপ্ত